কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ড° ভূপেন হাজৰিকাদেৱৰ ১১তম মৃত্যু বাৰ্ষিকী উদযাপনঃ

কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ৫ নবেম্বৰত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ ১১তম মৃত্যু বাৰ্ষিকী উদযাপন কৰা হয়। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে উপাধ্যক্ষা ড° মৌচুমী বৰদলৈ হাজৰিকাই। অনুষ্ঠানত মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° অনুপ কুমাৰ ডেকাই ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ কৰ্মজীৱন আৰু সংগীতৰ এটি বিশ্লেষণাত্মক বক্তৃতা আগবঢ়ায়। অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপিকা ড° কানন মেধিয়ে ড° হাজৰিকাদেৱৰ বিষয়ে আলোকপাত কৰে। অধ্যাপিকা ইন্দ্ৰানী গগৈ পানীফুকনে এটি ভূপেন্দ্ৰ সংগীত পৰিবেশন কৰি সাংস্কৃতিক অনুষ্ঠান আৰম্ভ কৰে।ইয়াৰ পিছতে ছাত্ৰ-ছাত্ৰীসকলে গীত কবিতা নৃত্য পৰিবেশন কৰি সংগীতানুষ্ঠান টো জীপাল কৰি তোলে । আজিৰ এই অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকাৰ লগতে কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্হিত থাকে। মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সহযোগত ছাত্ৰ একতা সভাই আয়োজন কৰা অনুষ্ঠানটিৰ আঁত ধৰে সাংস্কৃতিক বিভাগৰ সম্পাদিকা অংকিতা ডেকাই।

নিয়মীয়া বাৰ্তা
দেওবাৰ, ৬ নৱেম্বৰ ২০২২

# হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ড° ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকী পালন



মহানগৰ বাৰ্তা, ৫ নৱেম্বৰ : কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ৫ নৱেম্বৰত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ একাদশ মৃত্যুবাৰ্ষিকী উদ্‌যাপন কৰা হয়। অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে উপাধ্যক্ষা ড° মৌচুমী বৰদলৈ হাজৰিকাই। অনুষ্ঠানত মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° অনুপ কুমাৰ ডেকাই ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ কৰ্মজীৱন আৰু সংগীতৰ এটি বিশ্লেষণাত্মক বক্তৃতা আগবঢ়ায়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° কানন মেধিয়ে ড° হাজৰিকাৰ বিষয়ে আলোকপাত কৰে। অধ্যাপিকা ইন্দ্ৰাণী গগৈ পানীফুকনে এটি ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰি সাংস্কৃতিক অনুষ্ঠান আৰম্ভ কৰে। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলে গীত, কবিতা, নৃত্য পৰিৱেশন কৰি সংগীতানুষ্ঠানটো জীপাল কৰি তোলে। আজিৰ এই অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ লগতে কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সহযোগত ছাত্ৰ একতা সভাই আয়োজন কৰা অনুষ্ঠানটিৰ আঁত ধৰে সাংস্কৃতিক বিভাগৰ সম্পাদিকা অংকিতা ডেকাই।